

অসম আদিত্য
শুকুৰবাৰ, ২১ এপ্ৰিল, ২০২৩ ▫ ৭ ব’হাগ, ১৯৪৫ শক

## অসমৰ ইতিহাসত গ্ৰন্থাগাৰ বিজ্ঞানৰ লগত জড়িতসকলৰ অৱদানক স্মৰণৰ প্ৰয়াস

# মহিলা গ্ৰন্থাগাৰিক সংস্থাৰ সন্মিলনৰ আয়োজন

ডিব্ৰুগড়, ২০ এপ্ৰিল ঃ সদৌ অসম মহিলা গ্ৰন্থাগাৰিক সংস্থাৰ উদ্যোগত অহা ২২ এপ্ৰিলত ডিব্ৰু মহাবিদ্যালয়ত পোনপ্ৰথমবাৰৰ বাবে সদৌ অসম মহিলা গ্ৰন্থাগাৰিক সংস্থা সন্মিলনৰ আয়োজন কৰিছে। অসমত গ্ৰন্থাগাৰ বিজ্ঞানৰ উন্নয়নৰ গুৰি ধৰোঁতা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা অলকা বুঢ়াগোহাঁই, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জীতেন হাজৰিকাকে প্ৰমুখ্য কৰি গ্ৰন্থাগাৰ আৰু শিক্ষাৰ লগত জড়িত অসমৰ আগশাৰীৰ বিভিন্ন ব্যক্তি উক্ত সন্মিলনখনত উপস্থিত থাকিব। অনুষ্ঠানটিত মূল ভাষণ প্ৰদান কৰিব আই এ এছ এল আই চিৰ সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক নৰেন্দ্ৰ লহকৰে। শিক্ষা আৰু গৱেষণাক প্ৰভাৱিত কৰিব পৰা বিভিন্ন দিশসমূহ সামৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড০ বদন বৰ্মনে অনুষ্ঠানটোত এক বিশেষ বক্তৃতা প্ৰদান কৰিব। সদৌ অসম মহিলা গ্ৰন্থাগাৰিক সংস্থাৰ সভানেত্ৰী ড০ জ্যোতিকা দেৱী আৰু সাধাৰণ সম্পাদিকা ড০ কংকনা বৈশ্যই জানিবলৈ দিয়া মতে উক্ত অনুষ্ঠানটোত ২০২৩ বৰ্ষৰ ‘শান্তি দাস স্মাৰক সাধনা বঁটা’ প্ৰদান কৰাৰ লগতে এক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হ’ব। সমাজৰ বিকাশত শিক্ষা আৰু গৱেষণাৰ প্ৰয়োজনীয়তাক বিযদভাৱে আলোচনা কৰা আৰু অসমৰ ইতিহাসত গ্ৰন্থাগাৰ বিজ্ঞানৰ লগত জড়িত ব্যক্তিসকলৰ অৱদানক স্মৰণ কৰাৰ উদ্দেশ্যৰে আয়োজিত এই সন্মিলনখনত অসমৰ বিভিন্ন অঞ্চলৰ গ্ৰন্থাগাৰিক, শিক্ষাবিদ, গৱেষক, শিক্ষাৰ্থী সমাজক আহ্বান জনাইছে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ’বলগীয়া সন্মিলনখনত আয়োজক কমিটীৰ হৈ সভানেত্ৰী চন্দনা গগৈ আৰু সম্পাদিকা দীপিকা দাসে আগ্ৰহী ব্যক্তিসকলৰ উপস্থিতি কামনা কৰিছে।